অসম গ্ৰামীণ বিকাশ বেঙ্ক
ASSAM GRAMIN VIKASH BANK
*(A joint undertaking of Govt. of India, Govt. of Assam & Punjab National Bank)*
Head Office: Adam's Plaza, M.S.S. Path, Christian Basti, Guwahati –781005(Assam)
Phone No: 0361-2340018
Website: www.agvbank.co.in; e-mail : agvbank@yahoo.co.in

# প্ৰেছ-বিজ্ঞপ্তি

অসম গ্ৰামীণ বিকাশ বেংকৰ যোৰহাট জিলাৰ অন্তৰ্গত মাধপুৰ শাখাত সংঘটিত হোৱা জালিয়াতিৰ সম্পৰ্কত ছপা আৰু বৈদ্যুতিন মাধ্যমত প্ৰকাশিত বাতৰিৰ সন্দৰ্ভত স্পষ্টীকৰণ বিচাৰি বেংকৰ সদাশয় গ্ৰাহকৰ লগতে জনসাধাৰণেও বেংকৰ সৈতে যোগাযোগ কৰিছে।

সংশ্লিষ্ট সকলোৰে জ্ঞাতাৰ্থে অসম গ্ৰামীণ বিকাশ বেংকে ইয়াৰ দ্বাৰা সদৰি কৰে যে বেংকৰ মাধপুৰ শাখাত মুঠ ৮.২৮ কোটি টকাৰ জালিয়াতি ধৰা পৰিছে। উক্ত জালিয়াতি ধৰা পৰাত বেংকে তৎকালীনভাৱে আভ্যন্তৰীণ তদন্ত কৰি যথাবিহিত ব্যৱস্থা গ্ৰহণ কৰিছে। তদুপৰি, পৰৱৰ্তী তদন্তৰ বাবে কেন্দ্ৰীয় তদন্তকাৰী সংস্থাত (CBI) ইতিমধ্যে গোচৰ ৰুজু কৰা হৈছে । তদন্তকাৰী সংস্থাই উক্ত জালিয়াতিত জড়িত কিছু দুস্কৃতিকাৰীক ইতিমধ্যে গ্ৰেপ্তাৰ কৰি যথোচিত আইনী প্ৰক্ৰিয়া আৰম্ভ কৰিছে ।

এই সন্দৰ্ভত অসম গ্ৰামীণ বিকাশ বেংকে সদাশয় গ্ৰাহক আৰু জনসাধাৰণক আশ্বাস দিয়ে যে উপৰোক্ত জালিয়াতি কোনো ধৰণৰ ব্যক্তিগত তথা ৰাজহুৱা জমা ধন সম্পৰ্কীয় জালিয়াতি নহয় আৰু অসম গ্ৰামীণ বিকাশ বেংকৰ সকলো গ্ৰাহকৰে জমাধন সম্পূৰ্ণ সুৰক্ষিত আৰু নিৰাপদ হৈ আছে । অসম গ্ৰামীণ বিকাশ বেংক নিজৰ মূল্যৱান গ্ৰাহক সমাজৰ জমাধনৰ সুৰক্ষা আৰু নিৰাপত্তাৰ বাবে বদ্ধপৰিকৰ।

(দেৱাশীষ গংগোপধ্যায়)
**অধক্ষ্য**

স্থানঃ গুৱাহাটী
তাৰিখঃ ২৬-০৬-২০২৪